# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। দেশৰ ১৪ বছৰ বয়সৰ কন্যা শিশুৰ জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি এইচ পি ভি প্ৰতিষেধক প্ৰদানৰ ৰাষ্ট্ৰজোৰা অভিযানৰ শুভাৰম্ভ কৰে।

২। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাই অতি হ্ৰস্ব দূৰত্ব ভেদি বায়ু প্ৰতিৰক্ষা প্ৰণালীৰ উৰণৰ তিনিটা পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে।

৩। সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে।

৪। ইজৰাইলে ইৰানৰ বিৰুদ্ধে আক্ৰমণ আৰম্ভ কৰিছে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি হ’ব।

oooooooo

দেশৰ ১৪ বছৰ বয়সৰ কন্যা শিশুৰ জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি হিউমেন পেপিল’মা ভাইৰাছ, এইচ পি ভি প্ৰতিষেধক প্ৰদানৰ ৰাষ্ট্ৰজোৰা অভিযানৰ শুভাৰম্ভ কৰে। দেশত কৰ্কট ৰোগত মহিলাৰ মৃত্যুৰ অন্যতম কাৰণ হৈছে জৰায়ু কৰ্কট ৰোগ। সেয়েহে কন্যা তথা মহিলাসকলৰ স্বাস্থ্যৰ সুৰক্ষাৰ ক্ষেত্ৰত এই অভিযান অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত আজমেৰত পাঁচগৰাকী কন্যাক এইচ পি ভি প্ৰতিষেধক প্ৰদান কৰি প্ৰশাসনে এই অভিযানৰ সূচনা কৰে। এই অনুষ্ঠানত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাও উপস্থিত আছিল। প্ৰতিষেধক প্ৰদানৰ পাছত প্ৰধানমন্ত্ৰী মোডীয়ে কন্যা শিশু কেইগৰাকীৰ সৈতে মত বিনিময় কৰে।

এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ নাৰী সৱলীকৰণত এই অভিযানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। তেওঁ কয়, যে যেতিয়া এটা পৰিয়ালৰ মাতৃগৰাকী অসুস্থ হয় তেতিয়া ঘৰখনলৈ দুৰ্যোগ নামি আহে আৰু যেতিয়া মাতৃগৰাকীৰ স্বাস্থ্য ভালে থাকে তেতিয়া পৰিয়ালটোৱে সকলো সমস্যাৰ মুখামুখি হ’বলৈ সাহস গোটাব পাৰে। এই অনুভৱেৰেই বিজেপি নেতৃত্বৰ চৰকাৰে নাৰী সৱলীকৰণৰ বাবে বহুতো ফলদায়ক আঁচনি গ্ৰহণ কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি ১৬ হাজাৰ কোটিৰো অধিক টকাৰ বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰীমোডীয়ে কয়, যে বিজেপিৰ দ্বৈত ইঞ্জিন চৰকাৰে ৰাজস্থানৰ ঐতিহ্য আৰু বিকাশৰ বাবে কাম কৰি আছে।

oooooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা DRDO-ই ওড়িশাৰ ছান্দিপুৰৰ উপকুল ভাগৰ সমীপৰ সংহত পৰীক্ষণস্থলীৰ পৰা অতি হ্ৰস্ব দূৰত্ব ভেদি বায়ু প্ৰতিৰক্ষা প্ৰণালী V.S.H.O.R.A.D.S. ৰ তিনিটা উৰণ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভিন ভিন দ্ৰুতিৰে ভিন্ন উচ্চতাত উৰা দ্ৰুতবেগী ভাবুকি নিষ্ক্ৰিয় কৰাৰ ক্ষেত্ৰত ক্ষেপনাস্ত্ৰ প্ৰণালীবিধৰ সামৰ্থ্য পুনৰ মূল্যায়ন কৰাৰ উদ্দেশ্যে এই পৰীক্ষা কৰা হৈছে। পৰীক্ষাৰ সময়ত ক্ষেপনাস্ত্ৰসমূহে উচ্চ দ্ৰুতিসম্পন্ন লক্ষ্যসমূহ নিখুঁতভাৱে বিনষ্ট কৰে। পৰীক্ষণকালত টেলিমেট্ৰি, ইলেক্ট্ৰ' অপ্তিকেল ট্ৰেকিং ব্যৱস্থাৰ দৰে বিভিন্ন দূৰত্বৰ উপকৰণৰ জৰিয়তে লাভ কৰা উৰণ তথ্যই আকাশী মাৰ্গেৰে অহা ভাবুকিৰ ব্যাপক শৃংখলাৰ বিৰুদ্ধে ক্ষেপনাস্ত্ৰবিধৰ কাৰ্যকাৰিতা প্ৰমাণিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সফল পৰীক্ষণৰ বাবে DRDO, সশস্ত্ৰ বাহিনী আৰু খণ্ডটোৰ সৈতে জড়িত উদ্যোগসমূহক অভিনন্দন জনাইছে। তেওঁ কয়, যে V.S.H.O.R.A.D.S. ৰ তিনিটা নিৰন্তৰ সফল উৰণ পৰীক্ষা সঁচাকৈ বৃহৎ সাফল্য আৰু এই প্ৰণালীক শীঘ্ৰেই সশস্ত্ৰ বাহিনীত অন্তৰ্ভুক্ত কৰা হ'ব।

oooooooo

সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন বিষয় সন্দৰ্ভত বিজ্ঞান যোগাযোগৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

বিজ্ঞান দিৱস উপলক্ষে কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী মন্ত্ৰালয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমাৰোহৰ আয়োজন কৰিছে। এইবেলি বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিজ্ঞান ক্ষেত্ৰত মহিলাঃ বিকশিত ভাৰতৰ অনুঘটক। বৈজ্ঞানিক প্ৰগতিৰ দিশৰ পৰা ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগী অনুযায়ী মহিলা গৱেষক আৰু উদ্ভাৱনকাৰীসকলৰ ভূমিকাক স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বিষয়বস্তু বাছনি কৰা হৈছে।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে প্ৰধা

নমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশৰ বিজ্ঞানী আৰু গৱেষকসকলক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেশৰ উন্নয়ন আৰু বিশ্বৰ হিতৰ বাবে যুৱ প্ৰজন্মৰ সৱলীকৰণ, গৱেষণা অনুকুল ব্যৱস্থাৰ সুদৃঢ়কৰণ আৰু বিজ্ঞান-প্ৰযুক্তিৰ ব্যৱহাৰৰ সংকল্প দোহাৰিছে। শ্ৰী মোদীয়ে কয়, যে জনসাধাৰণে গৱেষণা, উদ্ভাৱন আৰু বৈজ্ঞানিক কৌতুহলৰ উৎসৱ হিচাপে পালন কৰে আৰু এনে ধৰণৰ ভাৱনাই দেশক আগুৱাই নিয়ে। তেওঁ কয়, যে এই দিৱসে ৰমন প্ৰভাৱৰ অভূতপূৰ্ব আৱিষ্কাৰ কৰাৰ কথা সোঁৱৰাই দিয়ে আৰু ভাৰতীয় গৱেষণাক গোলকীয় প্ৰেক্ষাপটত উজ্বলাই তোলে।

গৃহমন্ত্ৰী শ্বাহে তেওঁৰ বাৰ্তাত কয়, যে বিজ্ঞানী সমাজৰ অক্লান্ত অন্বেষণে দেশক নতুন দিশৰ সন্ধান দিয়ে আৰু উন্নত ভৱিষ্যতৰ বাবে বিভিন্ন সমস্যাৰ সমাধান সূত্ৰ উলিওৱাত সহায় কৰে। এই দিৱসে উদ্ভাৱন আৰু দেশৰ ভৱিষ্যত গঢ়াৰ বাবে উৎসাহ যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধান বৈজ্ঞানিক উপদেষ্টা প্ৰফেছাৰ অজয় কুমাৰ ছুদে কয়, যে বিজ্ঞান আৰু প্ৰযুক্তি খণ্ডই ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলা অভিযানত চালিকা শক্তিৰূপে কাম কৰিব। বিগত কেইটামান বছৰত দেশত মহিলা কৰ্মসংস্থাপনৰ হাৰ প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি তেওঁ কয়, যে মহিলাসকল দেশৰ প্ৰগতিৰ অনুঘটক স্বৰূপ। তেওঁ লগতে মহিলাৰ বৈজ্ঞানিক শিক্ষাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে প্ৰৱৰ্তন কৰা বিজ্ঞান জ্যোতিৰ দৰে আঁচনিসমূহৰ প্ৰশংসা কৰে। বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক বিদ্যা আৰু গণিতৰ ক্ষেত্ৰত স্নাতক ডিগ্ৰী লাভ কৰা মহিলাৰ সংখ্যা চকুত লগা ধৰণে বৃদ্ধি পাইছে বুলি শ্ৰী ছুদে মন্তব্য কৰে।

বাইট

000000000

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেই কৈছে, যে ভাৰত হৈছে বিশ্বৰ আটাইতকৈ খৰতকীয়া বিকাশশীল প্ৰধান অৰ্থনীতি। প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণলৈ আহি কালি মুম্বাইত উপস্থিত হোৱা অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইদৰে কয়। জয়কুমাৰ ৰাৱাল বিমান বন্দৰত মহাৰাষ্ট্ৰৰ প্ৰটʼকল আৰু মাৰ্কেটিং মন্ত্ৰীগৰাকীয়ে তেওঁক আদৰণি জনায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শ্ৰীকাৰ্নেৰ ভ্ৰমণে ভাৰত আৰু কানাডাৰ সম্বন্ধক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। মন্ত্ৰালয়ে লগতে উল্লেখ কৰে যে ভাৰত-কানাডাৰ অংশীদাৰিত্ব গণতান্ত্ৰিক প্ৰমূল্য, শক্তিশালী গণসংযোগ আৰু বিভিন্ন খণ্ডত সহযোগিতাৰ সম্প্ৰসাৰণক ভিত্তি কৰি গঢ়ি উঠিছে।

কানাডাৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে আজি মুম্বাইত একাংশ আগশাৰীৰ ব্যৱসায়িক সাক্ষাৎ কৰিব। তদুপৰি, তেওঁ ভাৰত-কানাডাৰ চি ই অʼসকল, উদ্যোগপতি, বিত্তীয় বিশেষজ্ঞ, উদ্ভাৱক, শিক্ষাবিদ আৰু ভাৰতত কাম কৰি থকা কানাডাৰ পেঞ্চন পুঁজিৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰিব।

000000000

ইজৰাইলে আজি ইৰানৰ বিৰুদ্ধে আক্ৰমণ আৰম্ভ কৰে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে কয়, যে ইৰানক আক্ৰমণ কৰা হৈছে আৰু সমগ্ৰ দেশজুৰি জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। প্ৰত্যক্ষদৰ্শী সূত্ৰই জনোৱা অনুসৰি ইৰানৰ ৰাজধানী তেহৰানৰ কাষৰীয়া অঞ্চলত বিস্ফোৰণ সংঘটিত হয় আৰু আকাশত ধোঁৱাৰ ডাঠ চামনি দেখা পোৱা যায়। ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলি খামেনেইৰ কাৰ্যালয়ৰ সমীপতে ইজৰাইল বাহিনীয়ে আক্ৰমণ চলায়। ইৰানৰ সংবাদ মাধ্যমৰ খবৰ অনুসৰি তেহৰানৰ কাষৰীয়া অঞ্চলত ৩টা বিস্ফোৰণৰ শব্দ শুনা গৈছে। ইৰান প্ৰশাসনে নিজৰ আকাশমাৰ্গ আৰু মোবাইল ফোন সেৱা সাময়িকভাবে বন্ধ কৰি দিছে। একে সময়তে সমগ্ৰ ইজৰাইলত ছাইৰেন বাজি উঠে। দেশখনৰ সামৰিক বাহিনীয়ে প্ৰকাশ কৰে, যে ইজৰাইলক লক্ষ্য কৰি ইৰান আৰু সহযোগী ৰাষ্ট্ৰই ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাৰ সম্ভাৱনা থকাৰ বাবেই জনসাধাৰণক সৰ্তক কৰি দিয়া হৈছে।

এখন পাৰমাণৱিক চুক্তিক লৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত সংঘাটৰ সৃষ্টি হোৱা আৰু পশ্চিম এছিয়াত বৃহৎ সামৰিক অভিযানৰ শংকা বৃদ্ধি হৈ অহাৰ সময়তে ইজৰাইলৰ আক্ৰমণে তাৎপৰ্য বহন কৰিছে। তেহৰানৰ ইউনিভাৰ্ছিটি ষ্ট্ৰিট আৰু জমহৌৰি জিলাত কেইবাটাও ক্ষেপণাস্ত্ৰই আঘাত হানে। ইয়াৰ ফলত হোৱা ক্ষয়ক্ষতিৰ বিষয়ে এতিয়াও স্পষ্টকৈ জানিব পৰা হোৱা নাই।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাত আজি শ্ৰীলংকা পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ  হ'ব। টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন ৪ আৰু ৫ মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত কালি অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ডে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ১৬০ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ইংলেণ্ডে ১৯ অভাৰ আৰু ৩টা বলত ৬টা উইকেটৰ বিনিময়ত অতিক্ৰম কৰে। ইংলেণ্ডৰ হৈ টম বেণ্টনে সৰ্বাধিক ৩৩ ৰান কৰাৰ বিপৰীতে ৰিল জেকছে ৩২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নিউজিলেণ্ডৰ হৈ ৰাচিন ৰবীন্দ্ৰই তিনিটা উইকেট দখল কৰে।

০০০০০০০০০

সমাপ্ত